**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-DEC-2025
**Time :** 1100 Hrs

***Assamese 11 AM Bulletin***

——————————————————

শীতৰ আগমনৰ লগে লগে ৰাজ্যলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। ২০২৫-২৬ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। চলিত পৰ্যটন বৰ্ষৰ আৰম্ভণিৰ তিনিটা মাহতে ৰাষ্ট্ৰীয় উদ্যানখনলৈ প্ৰায় ৭ হাজাৰ বিদেশী পৰ্যটকৰ আগমন ঘটে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বন সংমণ্ডল প্ৰাধিকাৰী অৰুণ ভিগনেছে জানিবলৈ দিয়া অনুযায়ী কাজিৰঙাৰ পৰ্যটন ইতিহাসত এইবাৰেই সৰ্বাধিক সংখ্যক বিদেশী পৰ্যটকৰ আগমন ঘটিছে। এই সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কালি শ্ৰীভিগনেছে এনেদৰে কয়–

**বাইট (ভিগনেছ)**

সামগ্ৰিকভাৱে এই বছৰ এতিয়ালৈকে প্ৰায় ডেৰ লাখ পৰ্যটকে উদ্যানখন দৰ্শন কৰিছে। সৰ্বাধিক বিদেশী পৰ্যটক ইউৰোপৰ পৰা আহিছে বুলিও শ্ৰীভিগনেছে কালি সংবাদ মাধ্যমক অৱগত কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ জনপ্ৰিয় কঁহৰা আৰু বাগৰি বনাঞ্চলৰ সমান্তৰালকৈ অগৰাতলি আৰু বুঢ়াপাহাৰ বনাঞ্চলতো চলিত বছৰত বন্যপ্ৰাণীৰ বিচৰণৰ পৰিপ্ৰেক্ষিতত পৰ্যটকৰ সমাগম ঘটিছে।

০০০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৬৯ হাজাৰ ৩৪২ কোটি টকা ব্যয়সাপেক্ষ ১২ টা নতুন ৰে'ল প্ৰকল্পত ৰে'ল মন্ত্ৰালয়ে অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ৮ টা নতুন ৰে'লপথ প্ৰকল্প আৰু ৪ টা ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প আছে। এই প্ৰকল্পৰ অধীনত সাতশ ৭৭ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰে ২৭৮ কিলোমিটাৰ ৰে'লপথ ইতিমধ্যে নিৰ্মাণৰ কাম আৰম্ভ হৈছে। ইয়াৰ বাবে ৪১ হাজাৰ ৬৭৬ কোটি টকা আবণ্টন দিয়া হৈছে।

ইপিনে, ৰে'ল মন্ত্ৰালয়ে অহা ১ জানুৱাৰীৰ পৰা গুৱাহাটী আৰু চাইৰাঙৰ মাজত চলাচল কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ এক্সপ্ৰেছ ৰেলগাড়ীখনৰ সংশোধিত সূচী প্ৰত্যাহাৰ কৰিছে। এই ৰেলগাড়ীখন এতিয়াৰ দৰেই সন্ধিয়া গুৱাহাটী এৰিব আৰু বিপৰীত দিশৰ পৰাও প্ৰতি সন্ধিয়া চাইৰাং এৰিব বুলি ৰেলৱে বোৰ্ডৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে। উল্লেখযোগ্য যে অসম ৰেল যাত্ৰী সংস্থা আৰু বৰাক উপত্যকাৰ ভালেকেইটা সংগঠনৰ লগতে মিজোৰামৰ ভালেসংখ্যক ব্যক্তিয়ে এই জনপ্ৰিয় ৰেলগাড়ীখন দিনৰ ভাগত চলাবলৈ লোৱাৰ সিদ্ধান্তৰ প্ৰতিবাদ জনাইছিল।

০০০০০০

উত্তৰ লখিমপুৰৰ ত্যাগ ক্ষেত্ৰত কালিৰে পৰা ৰাজ্যিক হস্ততাঁত মেলা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত উন্নয়ন আয়ুক্তৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ সহযোগত অনুষ্ঠিত এই মেলা ১১ জানুৱাৰীত সামৰণি পৰিব।

০০০০০০

পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ বোকাখাত বনাঞ্চলত অভিযানকাৰী দলে কালি বোকাখাতৰ পৰা দুখন কাঠভৰ্তি বাহন জব্দ কৰে। বোকাখাতৰ দক্ষিণ দিশেৰে কাৰ্বি আংলং জিলাৰ পৰা কাঠৰ কুণ্ডাসহ বাহন দুখন গেলেকী পাৰ হ'বলৈ লওঁতেই অভিযানকাৰী দলৰ হাতত ধৰা পৰে। বিশেষ সূত্ৰৰ পম খেদি বোকাখাতৰ বনাঞ্চলিক বিষয়া হিমাংশু গগৈৰ নেতৃত্বত যোৱা বন বিভাগৰ অভিযানকাৰী দলে ৰাষ্ট্ৰীয় ঘাইপথতে বাহন দুখন চালকসহ আটক কৰে। ধৃত গাড়ীচালকৰ স্বীকাৰোক্তি অনুযায়ী কাঠখিনি কাৰ্বি আংলঙৰ পৰা যোৰহাটলৈ নিয়া হৈছিল।

০০০০০০

৫৫ বছৰ অতিক্ৰম কৰা বিশ্বনাথ চাৰিআলি পৌৰসভাৰ সোণালী জয়ন্তী মহোৎসৱ দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ১৯৭০ চনত আৰম্ভ কৰা বিশ্বনাথ চাৰিআলি নগৰ সমিতিখন ২০১১ চনত পৌৰসভালৈ উন্নীত হয়। এই পৌৰসভাৰ অধীনত বৰ্তমান ১২টা ৱাৰ্ড আছে। কালি আৰম্ভ হোৱা সোণালী জয়ন্তী মহোৎসৱৰ প্ৰথম দিনা বিশ্বনাথৰ বিধায়ক তথা উদযাপন সমিতিৰ সভাপতি প্ৰমোদ বৰঠাকুৰৰ লগতে বিশ্বনাথৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰৰ সৈতে আন ৫৩ গৰাকী বিশিষ্ট ব্যক্তিয়ে মুঠ ৫৫ খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে তদানীন্তন নগৰ সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি তথা আধুনিক বিশ্বনাথৰ নিৰ্মাতা চেনিৰাম দাসৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

০০০০০০

দক্ষিণ শালামাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত অনুষ্ঠিত ৫৯ সংখ্যক আন্তঃজিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপৰ ছোৱালীৰ শাখাত শিৱসাগৰৰ দলে আৰু ল'ৰাৰ শাখাত তেজপুৰ দলে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। ছোৱালী শাখাত বিজয়ী শিৱসাগৰ দলে ডিব্ৰুগড়ৰ দলক ৩-০ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, ল'ৰাৰ শাখাত তেজপুৰ দলে গহপুৰত ৩-১ৰ ব্যৱধানত পৰাস্ত কৰে। ল'ৰাৰ শাখাত বিজয়ী দলৰ হিমাংশু বৰা আৰু ছোৱালী শাখাতো বিজয়ী দলৰ প্ৰাৰ্থনা গগৈ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হৈছে।

০০০০০০

অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত সদৌ অসম কাৰাটে সন্থাৰ সৌজন্যত আয়োজিত সদৌ অসম কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ দলটোৱে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। গুৱাহাটীত সম্পন্ন হোৱা এই প্ৰতিযোগিতাত ৰাজ্যখনৰ দুহেজাৰৰো অধিক খেলুৱৈয়ে ভাগ লৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ দলটোৰ হৈ ৬ জন খেলুৱৈয়ে প্ৰতিযোগিতাত ৬টা সোণৰ, দুটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে। মুখ্য প্ৰশিক্ষক অঞ্জন চেতিয়াৰ অধীনত কেন্দ্ৰটোৰ হৈ প্ৰতিযোগিতাত প্ৰয়াশী চেতিয়া, প্ৰাঞ্জল দেউৰী, অনন্ত তাঁতী, ননীগোপাল দত্ত, ৰাহুল দত্ত আৰু জিতু ভূঞাই অংশগ্ৰহণ কৰিছিল। দলটোৰ কৃতিত্বত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল আৰু ক্ৰীড়া বিষয়া দীপজ্যোতি গগৈয়ে দলটোলৈ অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

**সমাপ্ত**